**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। কোকৰাঝাৰৰ পৰিস্থিতি উত্তেজনাপূৰ্ণ যদিও নিয়ন্ত্ৰণত। ডিজিপিকে ধৰি অসম আৰক্ষীৰ শীৰ্ষ বিষয়াৰ পৰিস্থিতি নিৰীক্ষণ।

২। ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ। বিশ্বৰ আগশাৰীৰ প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ সৈতে মত বিনিময়।

৩। পঞ্চদশ বিত্তীয় আয়োগৰ একত্ৰিত মঞ্জুৰী হিচাপে কেন্দ্ৰীয় চৰকাৰৰ অসমলৈ ২১৩ কোটি ৯০ লাখ টকা মুকলি।

৪। পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণীৰ পিজিআৰ ভূমিত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ উচ্ছেদৰ নিৰ্দেশ।
**আৰু**

৫। ধেমাজীৰ চিলাপথাৰৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী খেলত উত্তৰাখণ্ড ৰাজস্থান মুখামুখি।

০০০০০০

কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱৰ গৌৰীনগৰৰ পৰিস্থিতি উত্তেজনাপূৰ্ণ যদিও নিয়ন্ত্ৰণত আছে। সেনাবাহিনীয়ে অঞ্চলটোত  যোৱানিশা ফ্লেগমাৰ্চ কৰে। ইপিনে, পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে জিলাখনত ভাৰতীয় ন্যায় সংহিতাৰ ১৬৩ ধাৰা জাৰি কৰা হৈছে। কোকৰাঝাৰ জিলা আয়ুক্তই জাৰি কৰা নিৰ্দেশনা অনুসৰি চাৰিজন বা ততোধিক লোকৰ সমাগম নিষিদ্ধ কৰা হৈছে। একেদৰে ধৰ্ণা, পথ, ৰে'ল অৱৰোধ, যিকোনো সমদল, চোকা অস্ত্ৰ লৈ ঘূৰি ফুৰা আদিতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিং, অতিৰিক্ত সঞ্চালকপ্ৰধান অখিলেশ সিং আৰু বি টি চিৰ আৰক্ষী মহা পৰিদৰ্শক বিবেক ৰাজ সিঙে কালি সন্ধিয়া কোকৰাঝাৰত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। তেওঁলোকে অসম আৰক্ষীৰ অন্যান্য শীৰ্ষ বিষয়াসকলৰ সৈতে বিষয়টো সন্দৰ্ভত গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত কোকৰাঝাৰৰ আৰক্ষী অধীক্ষক অক্ষত গাৰ্গ, চি আৰ পি এফ, এছ এছ বি আৰু সপ্তম আৰক্ষী বাহিনীৰ অধিনায়ককে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত আছিল। উল্লেখযোগ্য যে পৰহি নিশা  সংঘটিত গণপ্ৰহাৰৰ ঘটনাক কেন্দ্ৰ কৰি কালি পুৱাৰেপৰা কেইবাশ প্ৰতিবাদকাৰীয়ে ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাৰিগাঁও আৰক্ষী চকী ঘেৰাও কৰাৰ লগতে পৰিস্থিতি উত্তপ্ত কৰি তোলে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে কেইবাজনো লোকক আটক কৰে। ইপিনে, পৰহিৰ ঘটনাত আহত আৰু এজন লোকৰ কালি চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱাৰ ফলত এই ঘটনাত মৃত্যু হোৱাৰ লোকৰ সংখ্যা ২লৈ বৃদ্ধি পায়। কালি সুনীল মুৰ্মু নামৰ লোকজনৰ চিকিৎসালয়ত মৃত্যু হয়। আক্ৰমণৰ ঘটনা সন্দৰ্ভত আৰক্ষীয়ে কমেও ১৯জন লোকক আটক কৰিছে। ঘটনাটো সন্দৰ্ভত সোধা-পোছা কৰাৰ বাবে এই লোককেইজনক আটক কৰা হৈছে বুলি প্ৰকাশ কৰি জিলাখনৰ আৰক্ষী অধীক্ষক অক্ষদ গাৰ্গে কয় যে আৰক্ষীয়ে ইতিমধ্যে ঘটনা সংক্ৰান্তত তদন্ত আৰম্ভ কৰিছে। আইন-শৃংখলাজনিত পৰিস্থিতি নিয়ন্ত্ৰণত ৰখাৰ উদ্দেশ্যে কোকৰাঝাৰ আৰু চিৰাং জিলাত মোবাইল ইণ্টাৰনেট সেৱা সাময়িকভাৱে কৰ্তন কৰা হৈছে। ছুইজাৰলেণ্ডত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি জিলাখনৰ পৰিস্থিতি স্বাভাৱিক কৰি তোলাৰ বাবে সমাজৰ নেতৃস্থানীয় ব্যক্তি আৰু ৰাজনৈতিক নেতাসকলক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। কোকৰাঝাৰৰ পৰিস্থিতি স্বাভাৱিক কৰি তোলাৰ বাবে জিলা প্ৰশাসনৰ লগতে ৰাজ্য প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ সৈতে

অহৰহ যোগাযোগ ৰক্ষা কৰি আছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে শান্তি-শৃংখলা আৰু জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে সেনাবাহিনীৰ লগতে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ৰেপিড এক্সন ফোৰ্চ নিয়োগ কৰা হৈছে।

উল্লেখযোগ্য যে যোৰা নিশা অঞ্চলটোত গৰু চোৰৰ সন্দেহত ৫ জন লোকক গণপ্ৰহাৰৰ ঘটনা সংঘটিত হৈছিল। এই আক্ৰমণত এজন লোকৰ থিতাতে মৃত্যু হোৱাৰ লগতে ৪ জন লোক গুৰুতৰভাৱে আহত হয়। বি টি চিৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে এই ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি এই ঘটনাত তৃতীয় পক্ষ জড়িত থকা বুলি মন্তব্য কৰে। তেওঁ সকলোকে শান্তি-শৃংখলা বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। সদৌ চাওতাল ছাত্ৰ সন্থাই এখন সংবাদমেলযোগে এই ঘটনাৰ অভিযুক্তসকলক কঠোৰ শাস্তি বিহাৰ বাবে চৰকাৰক আহ্বান জনাইছে। সন্থাৰ সভাপতি বিমল কুমাৰ হেমব্ৰমে সকলোকে সংযম ৰক্ষা কৰি শান্তি-সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ আহ্বান জনায়।

বাইট

০০০০০০

ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামত দেশৰ অন্যতম প্ৰতিনিধিৰূপে উপস্থিত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ভাৰত পেভেলিয়নৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থকাৰ লগতে  তেওঁ গোলকীয় ছেমি কণ্ডাক্টৰ উদ্যোগৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকতো অংশ লয়। এই বৈঠকত ছিনপছিছ, কোৱালকম, এনালগ ডিভাইচেছ, থাৰ্ম' ফিচাৰ, হনিৱেল আৰু হেংকেল আদি বিশ্বৰ আগশাৰীৰ প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ সৈতে ড০ শৰ্মাই মত বিনিময় কৰে। এই প্ৰতিষ্ঠানসমূহে নিজ নিজ কৰ্মক্ষেত্ৰত উৎকৃষ্টতা প্ৰদৰ্শন কৰি ৰাজ্যখনত অংশীদাৰিত্ব কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে বুলিও তেওঁ উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰৰ এক্ট-ইষ্ট নীতিৰ অধীনত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। এই প্ৰসংগতে তেওঁ জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্প আৰু উন্নয়নৰ ক্ষেত্ৰত ইয়াৰ সম্ভাব্য সুদূৰপ্ৰসাৰী প্ৰভাৱৰ বিষয়েও মন্তব্য কৰে-

**বাইট (চি এম)**

অসমত বিনিয়োগ সম্ভাৱনা অন্বেষণ সন্দৰ্ভত আই বি এমৰ  উপাধ্যক্ষ গেৰী ক'নৰ সৈতেও মুখ্যমন্ত্ৰীগৰাকী বৈঠকত মিলিত হয়। দক্ষতা বিকাশ, কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ আৰু প্ৰযুক্তি সম্পৰ্কীয় পদক্ষেপসমূহৰ সুযোগ আৰু মূল্যায়ন কৰিবলৈ আই বি এমৰ প্ৰতিনিধি দল এটা শীঘ্ৰেই গুৱাহাটীত উপস্থিত হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি SECURING A FUTURE READY WORKFORCE FOR THE NEXT INDUSTRIAL ERA শীৰ্ষক অধিবেশনতো অংশগ্ৰহণ কৰি ভৱিষ্যমুখী কৰ্মশক্তি গঢ়াৰ ক্ষেত্ৰত অসমৰ দৃষ্টিভংগী আৰু উদ্যোগসমূহৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়।

উল্লেখযোগ্য যে সন্মিলনৰ ৫৬ সংখ্যক এই বাৰ্ষিক বৈঠকত বিশ্বৰ ৩ হাজাৰৰো অধিক নেতাই অংশগ্ৰহণ কৰিছে। অহা ২৩ জানুৱাৰীত সন্মিলনৰ সামৰণি পৰিব।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে পঞ্চদশ বিত্তীয় আয়োগৰ একত্ৰিত মঞ্জুৰী হিচাপে অসমলৈ ২১৩ কোটি ৯০ লাখ টকা মোকলাই দিছে। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ প্ৰথমটো কিস্তি হিচাপে আৱণ্টিত এই ধন ৰাজ্যখনৰ দুহেজাৰ ১৯২ খন গাঁও পঞ্চায়ত, ১৮২ খন আঞ্চলিক পঞ্চায়ত আৰু ২৭ খন জিলা পৰিষদলৈ মোকলাই দিয়া হৈছে বুলি পঞ্চায়তীৰাজ মন্ত্ৰালয়ে কালি সদৰি কৰে। উল্লেখযোগ্য যে প্ৰতিটো বিত্তীয় বৰ্ষৰ বাবে ধাৰ্য কৰা বিত্তীয় আয়োগৰ ধনৰাশি দুটা কিস্তিত ৰাজ্যলৈ মোকলাই দিয়া হয়। এই একত্ৰিত ধনৰাশি ৰাজ্যৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠান তথা গ্ৰাম্য স্থানীয় নিকায়সমূহে তেওঁলোকৰ ওপৰত ন্যস্ত কৰা বিষয়সমূহ নিষ্পত্তিৰ বাবে ব্যয় কৰিব। স্থানীয় নিকায়সমূহে সংবিধানৰ একাদশ অনুসূচীৰ অধীনত ২৯ টা দায়িত্ব নিৰ্বাহৰ বাবে এই ধনসমূহ ব্যয় কৰিব।

০০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত কাইলৈৰ পৰা ২৪ জানুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হ'ব। মেলা সমিতিয়ে ইতিমধ্যে ইয়াৰ বাবে প্ৰস্তুতি চলাইছে। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। কাইলৈ পুৱা পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানৰ লগতে তিৱা জাতীয় জীৱনৰ সৈতে জড়িত গৃহ মুকলি কৰা হ'ব। কাইলৈ পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব। পৰহিলৈ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। ইয়াৰ লগতে তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

oooooo

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদে পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণীৰ পিজিআৰ ভূমিত উচ্ছেদ চলোৱাৰ নিৰ্দেশ দিছে। পৰিষদৰ ভূমি ৰাজহ বিভাগৰ সচিবৰ তৰফৰ পৰা জাৰি কৰা এটা নিৰ্দেশত পৰৱৰ্তী ১৫ দিনৰ ভিতৰত পিজি আৰ ভূমি খালি কৰিবলৈ কোৱা হৈছে। খেৰণিৰ পি জি আৰ ভূমিত থকা ২৬৫ টা চৰকাৰী -বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানৰ মুৰববীক সেইঠাইৰ পৰা অন্য স্থানলৈ নিৰ্দেশ দিয়া হৈছে।

oooooo

গোৱালপাৰা জিলাৰ আগিয়া থানাৰ অন্তৰ্গত ভিমাজুলিত নিশা আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰাৰ লগতে এখন বাহনসহ এজন সৰবৰাহকাৰীক আটক কৰিব সমৰ্থ হয়। আটক কৰা সৰবৰাহকাৰীজন ছিৰাজুল ইছলাম বুলি আৰক্ষীয়ে জানিবলৈ দিয়াৰ লগতে জব্দকৃত মাদক দ্ৰব্যখিনিৰ মূল্য চাৰি লক্ষাধিক টকা হ'ব বুলিও আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

oooooo

ডিব্ৰুগড় আৰক্ষীয়ে কালি কুকুৰৰ চোৰাং ব্যৱসায়ীৰ লগত জড়িত তিনিজন দুৰ্বৃত্তক কৰায়ত্ত কৰে। নিশা আৰক্ষীৰ নিয়মিত তালাচীৰ সময়তে এখন বাহনসহ কুকুৰ চুৰিৰ কাৰ্যত ব্যৱহৃত বহু সামগ্ৰীৰ সৈতে লোক তিনিজনক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোক তিনিজন কাৰ্বি আংলঙৰ চ্যুংকিৰি ৰংফাৰ, ৰাইচং ৰংপি, চেনচেন হান্সে বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

oooooo

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত ৰাউণ্ডৰ খেলসমূহ আজিৰে পৰা অসমত আৰম্ভ হৈছে। এইবাৰ সপ্তমবাৰৰ বাবে ৰাজ্যৰ ধেমাজী জিলাৰ চিলাপথাৰৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। অসম ফুটবল সন্থাৰ আমন্ত্ৰণ মৰ্মে জিলাখনৰ দুটা স্থানৰ লগতে ঢকুৱাখনাত দেশৰ শীৰ্ষ পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতাখনৰ ১৫ খন গুৰুত্বপূৰ্ণ খেল চিলাপথাৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হ'ব। আজি পুৱা ৯ ঢকুৱাখনা ফুটবল ষ্টেডিয়ামত প্ৰথমখন খেল অনুষ্ঠিত হৈছে। প্ৰথম খেলত উত্তৰাখণ্ডৰ বিৰুদ্ধে ৰাজস্থান অৱতীৰ্ণ হৈছে। দিনৰ ১ বজাত অসম আৰু তামিলনাডুৰ মাজত প্ৰথমখন খেল অনুষ্ঠিত হ'ব।

উল্লেখযোগ যে এই প্ৰতিযোগিতাত দেশৰ ১২টা দলে অংশগ্ৰহণ কৰিছে। ছটা ছটাকৈ দুটা গোটত ভাগ কৰা, পশ্চিমবংগ, অসম, নাগালেণ্ড, ৰাজস্থান, উত্তৰাখণ্ড আৰু তামিলনাডুক গ্ৰুপ-এত আৰু ৰে'লৱেছ, ছাৰ্ভিচেছ, কেৰালা, পঞ্জাব, মেঘালয় আৰু ওড়িশাক গ্ৰুপ-বিত ৰখা হৈছে। ফিফা প্লাছ মঞ্চৰ জৰিয়তে প্ৰতিযোগিতাৰ সকলো খেল পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ব। নকআউট পৰ্যায়ৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা শীৰ্ষ চাৰিটা দল অহা ২ আৰু ৩ ফেব্ৰুৱাৰীত পৰস্পৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৫ ফেব্ৰুৱাৰীত ছেমি ফাইনেল খেল দুখন আৰু ৮ ফেব্ৰুৱাৰীত ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

oooooo

গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকতসমূহে কোকৰাঝাৰৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত আলোকচিত্ৰসহ ভিন ভিন শিৰোনামেৰে আজিৰ মুখ্য বাতৰি পৰিৱেশন কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতৰ শিৰোনাম – ‘অগ্নিগৰ্ভ কোকৰাঝাৰত ক্ষোভৰ দাবানল’। **নিয়মীয়া বাৰ্তা** কাকতৰ শিৰোনাম ‘অগ্নিগৰ্ভ কোকৰাঝাৰ’, ‘কোকৰাঝাৰত হিংসাৰ দাবানল সেনাৰ ফ্লেগ মাৰ্চ’ - এই শিৰোনাম **দৈনিক জনমভূমি** কাকতৰ। **অসমীয়া খবৰ** কাকতে ‘অসমৰ অৰ্থনৈতিক সামাজিক অগ্ৰগামী উন্নয়নৰ যাত্ৰাৰ বাৰ্তা দিলে বিশ্ববাসীক’ শিৰোনামেৰে ৱৰ্ল্ড ইকনমিক ফ'ৰামত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ব্যস্ততাৰ বাতৰি প্ৰকাশ কৰিছে। **আমাৰ অসম** কাষতে কাকতে ‘ডাবোছত অসমৰ তৰুণী দৃষ্টিমেধিৰ দৃষ্টি আকৰ্ষণ’ শিৰোনামেৰে তৰুণ উদ্যমী দৃষ্টিমেধিৰ বিষয়ে বক্স নিউজ হিচাপে বিশেষ গুৰুত্ব সহকাৰে বাতৰি প্ৰকাশ কৰিছে। **দা চেণ্টিনেল** কাকতে অসমৰ বিলুপ্ত প্ৰায় কেইবাটাও ভাষাক আচু আৰু এন টি এফে ডিজিটেলী সংৰক্ষণ কৰাৰ পদক্ষেপ গ্ৰহণ কৰাৰ বাতৰি প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে এইবাৰৰ নিৰ্বাচনত বিৰোধী দলসমূহৰ মাজত মিত্ৰতা হ'বই বুলি গৌৰৱ গগৈয়ে কৰা মন্তব্যৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। **দি আছাম ট্ৰিবিউন** কাকতে ইউৰোপীয় সংঘৰ বিষয়ববিয়াই ডাবচত, আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে গ্ৰীনলাণ্ডত নতুন শুল্ক আৰোপ কৰাৰ পৰিকল্পনা কৰাক লৈ অসন্তুষ্টি প্ৰকাশ কৰাৰ বাতৰিক আলোকচিত্ৰ সহ বিস্তৃতভাৱে প্ৰকাশ কৰিছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ ধেমেচি মাজুমেলীয়াৰ ধনেখনাৰ পাৰৰ ৰাণীমুখ চোমণিত আজিৰেপৰা তিনিদিনীয়াকৈ চতুৰ্থ বাৰ্ষিক ধনেখনা নাট উৎসৱ, ২০২৬ অনুষ্ঠিত হ’ব। ধনেখনা সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত অঞ্চলটোৰ পাঁচটা যুৱ সংগঠনে ৰাইজৰ সহযোগত আয়োজন কৰা এই নাট উৎসৱত ৰাজ্যখনৰ আগশাৰীৰ কেইবাটাও নাট্যগোষ্ঠীয়ে নাট প্ৰদৰ্শন কৰিব। আজি পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলনৰ পাছতে যোৰহাটৰ জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াই নাট উৎসৱ উদ্বোধন কৰিব। উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী বিমল বৰা, বিধায়ক চক্ৰধৰ গগৈ, নাট্যকাৰ মুনীন শৰ্মা আৰু অধ্যাপিকা ড° পল্লৱী ডেকা বুজৰবৰুৱা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই উৎসৱত প্ৰতিদিনে দুখনকৈ নাট মঞ্চায়ন হ’ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, আৰু ত্ৰিপুৰাৰ বতৰ শুকান হোৱাৰ আৰু অৰুণাচল প্ৰদেশৰ কেতবোৰ স্থানত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**